অসম

জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ কাম বাবে ১৫ কোটি অনুমোদন মুখ্যমন্ত্ৰীৰ, কোকৰাঝাৰৰ জুবিন পাৰ্কৰ বাবে ৩০ কোটি টকাৰ আবণ্টন হাগ্ৰামাৰ

জুবিন গাৰ্গৰ ৫৪সংখ্যক জন্মদিনত জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ কামৰ অনুমোদন জনালে মুখ্যমন্ত্ৰীয়ে। কোকৰাঝাৰত জুবিন গাৰ্গৰ আদৰ্শ সংৰক্ষণৰ বাবে ৩০ কোটি টকা আবণ্টনৰ কথা ঘোষণা হাগ্ৰামা মহিলাৰীৰ।

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:৩২



Chief Minister Himanta Biswa Sarma approved the first phase of Zubeen Kshetra. Hagrama Mohilary announced an allocation of Rs 30 crore to preserve Zubeen Garg's ideals. (SOCIAL MEDIA)

গুৱাহাটী/কোকৰাঝাৰ, ১৮ নৱেম্বৰ: প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ৫৪সংখ্যক জন্মদিন উপলক্ষে জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ নিৰ্মাণকাৰ্যৰ অনুমোদন জনাইছে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই।

ইফালে, জুবিন গাৰ্গৰ আদৰ্শ আৰু চিন্তা-চেতনা সংৰক্ষণৰ উদ্দেশ্যে ৩০ কোটি টকা আবণ্টনৰ কথা ঘোষণা কৰিছে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে।

জুবিন গাৰ্গৰ জন্মদিন উপলক্ষে সামাজিক মাধ্যমত এক পোষ্টযোগে মুখ্যমন্ত্ৰীগৰাকীয়ে জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ কামৰ অনুমোদন জনোৱাৰ কথা প্ৰকাশ কৰে।

© 2026 NewzNow

> “আজি আমাৰ সকলোৰে প্ৰাণৰ আপোন জুবিনৰ ওপজা দিনত জুবিন ক্ষেত্ৰৰ প্ৰথম পৰ্যায়ৰ কামৰ অনুমোদন জনালোঁ। প্ৰজন্মৰ পাছত প্ৰজন্মই জুবিন ক্ষেত্ৰৰ মাজেৰে জুবিনক অনুভৱ কৰিব, তেওঁৰ সৃষ্টিৰাজিৰ সৈতে চিনাকি হ’ব আৰু সেই সৃষ্টিৰ সুবাস বুকুত সামৰি আগুৱাই যাব।”

কোকৰাঝাৰৰ চান্দমাৰিস্থিত জুবিন পাৰ্কত আয়োজিত জন্মদিন উদযাপন অনুষ্ঠানত উপস্থিত থাকি হাগ্ৰামা মহিলাৰীয়ে কয় যে, প্ৰথম পৰ্যায়ৰ কামৰ বাবেও ধনৰ আবণ্টন দিয়া হৈছে। জুবিন গাৰ্গৰ চিন্তা-চেতনাক আগন্তুক প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ লক্ষ্যৰে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে।

জুবিন গাৰ্গৰ জন্মদিনত ৰাজ্য চৰকাৰ আৰু বিটিচিৰ এই ঘোষণাই শিল্পীগৰাকীৰ স্মৃতি আৰু সৃষ্টিৰাজি সংৰক্ষণৰ ক্ষেত্ৰত নতুন পদক্ষেপ হিচাপে বিবেচিত হৈছে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4125/jubin-kshet-kokajha-pak-abntn